# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 23-11-2025
**Time :** 1800 Hrs.

# *Assamese Evening Bulletin*

oooooo

শ্ৰমিকসকলৰ কল্যাণৰ বাবে সজাগতাপূৰ্ণ পৰিৱেশ সৃষ্টিৰ লক্ষ্যৰে আজি সমগ্ৰ ৰাজ্যতে শ্ৰমিক কল্যাণ দিৱস পালন কৰা হয়। ৰাজ্য চৰকাৰে বিশিষ্ট শ্ৰমিক নেতা প্ৰয়াত সন্তোষ কুমাৰ তপ্নৰ জন্ম বাৰ্ষিকী উপলক্ষে প্ৰতিবছৰে ২৩ নৱেম্বৰৰ দিনটো শ্ৰমিক কল্যাণ দিৱস হিচাপে পালন কৰি আহিছে। এই উপলক্ষে আজি ডিব্ৰুগড় জিলাৰ চাবুৱাৰ দিনজয় ফিল্ডত আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকে। শ্ৰী সোণোৱালে তেওঁৰ ভাষণত কয়, যে শ্ৰমিকসকল হৈছে সমাজৰ চালিকা শক্তি তথা ৰাষ্ট্ৰ নিৰ্মাণৰ খনিকৰ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত বিগত সময়ছোৱাত শ্ৰমিকসকলৰ জীৱনৰ  আমূল পৰিৱৰ্তন ঘটিছে বুলি উল্লেখ কৰি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চৰকাৰে যোৱা ১১ বছৰত শ্ৰমিকসকলৰ বাবে আৰ্থ সামাজিক নিৰাপত্তা, মৰ্যাদা আৰু প্ৰাপ্য অধিকাৰ সুনিশ্চিত কৰিছে। শ্ৰী সোণোৱালে সমাজকৰ্মী, শ্ৰমিক নেতা তথা শিক্ষাবিদ সন্তোষ কুমাৰ তপ্নৰ চাহ জনজাতিৰ কল্যাণৰ দিশত আগবঢ়োৱা অৱদানৰ কথা উল্লেখ কৰি কয়, যে  চাহ বাগিচাৰ বিভিন্ন অঞ্চলত শ্ৰমিক কল্যাণমূলক আন্দোলন, শিক্ষাৰ প্ৰসাৰ আৰু সামাজিক সংস্কাৰৰ দিশত শ্ৰমিক নেতাগৰাকীয়ে লোৱা অগ্ৰণি ভূমিকা স্মৰণীয় আৰু অনুপ্ৰেৰণাদায়ক হৈ ৰ'ব।

*(বাইট ঃ সোণোৱাল)*

আজিৰ অনুষ্ঠানতে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে চাহ বাগিচা অঞ্চলৰ শিক্ষা, চিকিৎসা, চাহ শ্ৰমিকৰ কল্যাণ, আন্তঃগাঁথনি আদিকে ধৰি বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা দেখুওৱা ব্যক্তি আৰু প্ৰতিষ্ঠানক সম্বৰ্ধনা জনায়। তেওঁ লগত অসম গৃহ আৰু অন্যান নিৰ্মাণ শ্ৰমিক কল্যাণ পৰিষদৰ অধীনত কেইবাগৰাকী ব্যক্তিক আৰ্থিক অনুদান প্ৰদান কৰে। অনুষ্ঠানত শ্ৰমিকসকলৰ সুবিধাৰ্থে নিৰ্মাণ সখী পদক্ষেপৰ অধীনত বিনামূলীয়া চি এছ চি সক্ষম পঞ্জীয়ন আৰু নৱীকৰণ সেৱাও মুকলি কৰা হয়। আজিৰ অনুষ্ঠানত মন্ত্ৰী প্ৰশান্ত ফুকন, বিমল বৰা, ৰূপেশ গোৱালা আৰু সাংসদ প্ৰদান বৰুৱাকে ধৰি বহু কেইগৰাকী বিধায়ক উপস্থিত থাকে।

oooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি শোণিতপুৰ জিলাৰ ৰাঙাপাৰাত সমষ্টিটোৰ ২৮ হাজাৰ ৮২৭ গৰাকী আত্মসহায়ক গোটৰ হিতাধীকাৰীক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ অধীনত ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে মহিলা নেতৃত্বাধীন বিকাশ তথা গ্ৰামাঞ্চলৰ সৰ্বাংগীন উন্নয়নৰ লক্ষ্যৰে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যৰ ৪১ টা সমষ্টিৰ আত্মসহায়ক গোটৰ মহিলাসকলক ইয়াৰ জৰিয়তে অৰ্থনৈতিকভাৱে সৱল কৰি গ্ৰাম্য অৰ্থনীতিৰ পথ প্ৰসস্ত কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অনুষ্ঠানৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত ড০ শৰ্মাই বিগত সময়ছোৱাত মহিলা সৱলীকৰণৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে শোণিতপুৰ জিলাৰ শিঙৰিৰ গুপ্তেশ্বৰ মন্দিৰ পৰিদৰ্শন কৰি ৰাজ্যবাসীৰ সুখ-সমৃদ্ধিৰ বাবে সেৱা জনায়।

oooooo

বিশিষ্ট কথাশিল্পী ইমৰাণ শ্বাহৰ আজি ৯৩ সংখ্যক ওপজা দিন উপলক্ষে সাহিত্যিকগৰাকীৰ শিৱসাগৰৰ বাসগৃহত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ১৯২৩ চনৰ আজিৰ দিনটোতে শিৱসাগৰৰ ধাইআলিত সাহিত্যিকগৰাকীয়ে জন্মগ্ৰহণ কৰিছিল। আজি ওপজা দিন উপলক্ষে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিবিশেষে তেওঁক ফুলাম গামোছা, ফুলৰ থোপা আৰু কিতাপৰ টোপোলাৰে শুভেচ্ছা জ্ঞাপন কৰে। এই অনুষ্ঠানতে ইমৰাণ শ্বাহ ৰচনাৱলীৰ চতুৰ্থ আৰু পঞ্চম খণ্ড উন্মোচন কৰা হয়। অনুষ্ঠানত শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ মহাদেৱ পাটগিৰি, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জ্যোতি প্ৰসাদ শইকীয়া, পদ্মশ্ৰী সন্মানেৰে সন্মানিত প্ৰহ্লাদ চন্দ্ৰ তাছাকে ধৰি বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০

টাই আহোম জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ লগতে জনগোষ্ঠীটোক স্বায়ত্ত শাসন আৰু ভূমিপট্টা প্ৰদানৰ দাবীত আজি ধেমাজিত জনগোষ্ঠীটোৰ কেইবাটাও দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ধেমাজি জিলাৰ কাছাৰী ময়দানত অনুষ্ঠিত এই কাৰ্যসূচীত সদৌ অসম টাই আহোম ছাত্ৰ সন্থা, আটাছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি বসন্ত গগৈ প্ৰমুখ্যে সংগঠনটোৰ কেইবাগৰাকীও সদস্যই অংশ লয়।

০০০০০০

কাছাৰ জিলা প্ৰশাসন আৰু মাই ভাৰতৰ যৌথ উদ্যোগত আজি বদৰপুৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি তৃতীয় একতাৰ দৌৰ অনুষ্ঠিত হয়। ঐতিহাসিক বদৰপুৰ দুৰ্গৰ পৰা ৰে'লৰে প্ৰতিষ্ঠানলৈ উলিওৱা এই দৌৰত কালাইন, কাটিগড় আৰু বদৰপুৰ অঞ্চলৰ ডেৰ হাজাৰৰো অধিক যুৱক-যুৱতী, নাগৰিক আৰু বিভিন্ন সামাজিক সংগঠনৰ সদস্যই অংশগ্ৰহণ কৰে।

০০০০০০

**সমাপ্ত**